Asomiya Khabar, 11th September, 2017



# টিহু মহাবিদ্যালয়ত আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ সামৰণি, শ্ৰেষ্ঠ দলৰ সন্মান নলবাৰী মহাবিদ্যালয়লৈ

**আমাৰ খবৰ, টিহু, ১০ ছেপ্টেম্বৰ ঃ** 'এটা জাতিৰ কৃষ্টি-সংস্কৃতি আৰু সভ্যতা জীয়াই থাকিলেহে সেই জাতিটোৰ অস্তিত্ব বৰ্তি থাকিব। এইক্ষেত্ৰত নৱপ্ৰজন্মই আগভাগ ল'ব লাগিব।' টিহু মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃমহাবিদ্যালয় মাগুলিক যুৱ মহোৎসৱত আজি স্থানীয় বিধায়ক পবিন্দ্ৰ ডেকাই এইদৰে কয়। স্থানীয় বিধায়কগৰাকীয়ে আজি পুৱাৰ ভাগত যুৱ মহোৎসৱৰ এক অনুষ্ঠানত অংশগ্ৰহণ কৰি ভৰত মুনিৰ নাট্যশাস্ত্ৰৰ কেইবাটাও শ্লোকৰ তাত্ত্বিক ব্যাখ্যাও আগবঢ়ায়। নলবাৰী, বৰপেটা, বাগছা আৰু চিৰাং জিলাক সামৰি অনুষ্ঠিত হোৱা উক্ত যুৱ মহোৎসৱত ১৮খন মহাবিদ্যালয়ৰ ৩২১ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। সংগীত, নৃত্য, সাহিত্য, নাটক, সুকুমাৰ কলা আদি শিতানত যুৱ মহোৎসৱত নলবাৰী মহাবিদ্যালয় শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হয়। কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয় শ্ৰেষ্ঠ শৃংখলাবদ্ধ দল বিবেচিত হোৱাৰ বিপৰীতে নলবাৰীৰ মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ শ্বাগতা বৰকটকী শ্ৰেষ্ঠ প্ৰতিযোগী হিচাপে নিৰ্বাচিত হৈছে। আনহাতে বিয়লি টিহু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কিশোৰ কুমাৰ তালুকদাৰৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সামৰণী অনুষ্ঠানত ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বয়ন শিল্প বিভাগৰ সঞ্চালক পদ্মনাথ দাসে ভাষণ আগবঢ়াই শিক্ষাৰ্থীসকলক প্ৰতিযোগিতামূলক মনোভাব গ্ৰহণ কৰি একাগ্ৰতা, আত্মবিশ্বাস আৰু সততাৰে সমাজত আগবাঢ়ি যাবলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ মহাপুৰুষ শংকৰদেৱে পাঁচশ বছৰ পূৰ্বেই অংকীয়া নাট, কীৰ্তন, বৰগীত, চিহ্নযাত্ৰা আদি ৰচনা কৰি অসমৰ সংস্কৃতিৰ ভেটি নিৰ্মাণ কৰা বুলি মত প্ৰকাশ কৰে। তিনি 'বি' ক্ৰমে ব্ৰহ্মপুত্ৰ, বিহু আৰু ভূপেন হাজৰিকাই বিশ্ব দৰবাৰত অসমক চিনাকি কৰি দিয়া বুলিও উনুকিয়াই দাসে। টিহু মহাবিদ্যালয়ৰ উপাধ্যক্ষ ভৱেশ চন্দ্ৰ দাসে উদ্দেশ্য ব্যাখ্যা কৰা সভাত নলবাৰী জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত ভট্টাচাৰ্য আদিয়ে ভাষণ আগবঢ়ায়। সভাত যুৱ মহোৎসৱ সমিতিৰ কাৰ্যকৰী সভাপতি-অধ্যাপক পুলিন দাসকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানেৰে যুৱ মহোৎসৱৰ সামৰণি পৰে।



ংগীত মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদ্‌যাপন অনুষ্ঠানত
তজপুৰৰ দুই সাংবাদিকক সম্বৰ্ধনা, দেওবাৰে

## ৱত আৰ্থিকভাৱে দুৰ্বল ছাত্ৰীক উত্তৰণৰ সাহায্য

গাঁও, ১০ ছেপ্টেম্বৰ ঃ ছ'চিয়েল মিডিয়া ফেচবুকৰ জৰিয়তে ত্তৰণ' নামৰ এটি গোটে বিগত দুটা বছৰে সীমিত পৰিসৰত মিকত অধ্যয়নৰত আৰ্থিকভাৱে বিভিন্ন প্ৰকাৰে সাহায্য হৈছে। চলিত বৰ্ষটোত উত্তৰণে ৰাজ্যৰ বিভিন্ন স্থানৰ পাঁচ ভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীক আৰ্থিক সাহায্য আগবঢ়োৱাৰ লগতে মিকৰ দুবছৰীয়া পাঠক্ৰমৰ অধ্যয়নকালত প্ৰয়োজনীয় াগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আজি নগাঁও চহৰৰ ত সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ কাৰ্যালয়ত 'সপোনৰ নামকৰণেৰে শিক্ষাৰ বাবে এক মঞ্চ গঠন কৰি উত্তৰণে ৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীক কিতাপৰ টোপোলাৰে সম্বৰ্ধনা ত আৰ্থিক সাহায্যও প্ৰদান কৰে। সম্বৰ্ধনা অনুষ্ঠানত নটসূৰ্য শল্পী জ্ঞানদা বৰা, সমাজসেৱক ডাঃ কমল লস্কৰ, বিশিষ্ট নন্দ কাকতি, বিশিষ্ট সাংবাদিক ড° আবু হানিফা, জ্যেষ্ঠ নী শইকীয়া, শিক্ষাবিদ গুণনিধি মহন্ত, সাংবাদিক জিতেন ত্যশিল্পী পুণ্যদা বৰা আদিয়ে নিজ ভাষণত উত্তৰণৰ এনে

### ঢেকীয়াজুলিত স্বাধীনতা সংগ্ৰামী প্ৰসাদ সিং চুৰাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠান সম্পন্ন

# নৱপ্ৰজন্মই গান্ধীবাদী নেতাৰ বিষয়ে অধ্যয়ন কৰিব লাগে ঃ সাংসদ আৰ পি শৰ্মা

**আমাৰ খবৰ, শিঙৰী, ১০ ছেপ্টেম্বৰ ঃ** 'জাতিৰ পিতা মহাত্মা গান্ধীৰ মহান আদৰ্শৰে অনুপ্ৰাণিত হৈ প্ৰসাদ সিং চুৰাই ব্ৰিটিছৰ কু-শাসনৰ বিৰুদ্ধে সংগ্ৰাম কৰিছিল। সমাজৰ পিছপৰা শ্ৰেণীৰ লোকৰ উন্নয়নৰ কাৰণে তেওঁ কাম কৰিছিল। তেওঁৰ বিষয়ে অধিক প্ৰচাৰ-প্ৰসাৰৰ আৱশ্যক আছে। তেওঁৰ আদৰ্শসমূহ লৈ আমাৰ সংস্থা-সংগঠনসমূহে সমাজ ব্যৱস্থাত শিক্ষা-দীক্ষাৰ উন্নয়নৰ কাৰণে কাম কৰিব লাগে।' এই মন্তব্য গুৱাহাটী অংশগ্ৰহণ কৰি অধ্যাপকগৰাকীয়ে এইদৰে কয়। দিনৰ ১১ বজাত লিম্বু মহাসভাৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি লক্ষী লিম্বুৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত অধ্যাপক ড° খগেন শৰ্মাই আৰু কয় ঃ যি জাতি শিক্ষা-দীক্ষাত আগবাঢ়ি নাযায়, সেই জাতিৰ সামগ্ৰিক উন্নয়ন সম্ভৱ নহয়। গতিকে আমাৰ সংস্থা-সংগঠনসমূহে শৈক্ষিক ব্যৱস্থাৰ উন্নয়নৰ কাৰণে কাম কৰিব লাগে। প্ৰসাদ সিং চুৰা স্মৃতি একাডেমীৰ সম্পাদক ছত্ৰমান উন্নয়ন বিচাৰিছিল। আমাৰ নৱপ্ৰজন্মই প্ৰসাদ সিং চুৰাৰ দৰে গান্ধীবাদী নেতাৰ বিষয়ে অধ্যয়ন কৰিব লাগে। প্ৰসাদ সিং চুৰা স্মৃতি একাডেমী আৰু লিম্বু মহাসভাই প্ৰয়াত স্বাধীনতা সংগ্ৰামীগৰাকীক ৰাইজৰ মাজত প্ৰতিষ্ঠা কৰিবলৈ লোৱা উদ্যোগক সাংসদগৰাকীয়ে প্ৰশংসা কৰে। সভাত ঢেকীয়াজুলি সমষ্টিৰ বিধায়ক অশোক সিংঘাল, বৰছলা সমষ্টি বিধায়ক গণেশ লিম্বু, বিশিষ্ট সাহিত্যিক জ্ঞান বাহাদুৰ ছেত্ৰী, কবি মোহন দখন আদিয়ে ভাষণ প্ৰদান কৰে। প্ৰসাদ সিং পুৰস্কাৰ প্ৰদান কৰা হয়। বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে এই দিৱসৰ কাৰ্যসূচীসমূহ আৰম্ভ হয়। লিম্বু মহাসভা অসমৰ সভাপতি মনবাহাদুৰ লিম্বু, সম্পাদক চন্দ্ৰ প্ৰসাদ লিম্বু, তেজপুৰ জিলা গোৰ্খা সন্মিলনৰ সম্পাদক গোকুল বছনেট, 'আগছু'ৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি পুষ্প পৌড়েল, বিশিষ্ট কবি ছবিলাল উপাধ্যায়, অমৰ বণিয়া, আগছুৰ উপসভাপতি সুনীল ছেত্ৰী, সমাজকৰ্মী টিকু চুৰা, অধ্যাপক চন্দ্ৰশেখৰ উপাধ্যায় আদিৰ লগতে দুই সহস্ৰাধিক লোক

আম
ছেপ্টে
অন্তগ
যোৱা
৮ জাঁই
আৰক্ষী
অঞ্চল
আটকা
আম্বাছ
সূত্ৰৰ প
আৰক্ষী
ছিপাঝা
আলীৰ
অতৰ্কি
যুৱকজন
নিকটৱৰ্তী
অৱস্থাত
জব্দ কৰে
কৰে। আ
আৰক্ষী থ
সদৰ আৰ
এই সম্প
থানাত ৭৩
ৰুজু কৰা
অব্যাহত ৰা

বৰছ
সনি

আমাৰ
ছেপ্টেম্বৰ
ঢেকীয়াজু
নিজ বৰছ
সংঘটিত হ
দীনেশ না
বেলশিৰি
পঞ্চম শ্ৰে
(১০)ৰ সা
পৰা মতে